# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI
**0000000000**

**Date :** 17-05-2025
**Time :** 1910 hrs

ASSAMESE EVENING BULLETIN
## HEADLINES

১। অপাৰেচন সিন্দূৰৰ জৰিয়তে স্পষ্ট হৈ উঠা পাকিস্তানৰ পৃষ্ঠপোষকতাপ্ৰাপ্ত সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ স্থিতি উপস্থাপনৰ বাবে বিভিন্ন দেশলৈ চৰকাৰে ৭ টা বহুদলীয় প্ৰতিনিধি দল প্ৰেৰণ কৰিব।

২। ভাৰতে দেশৰ হিতৰ পৰিপন্থী আৰু সংকটৰ সময়ত ইয়াৰ বিৰুদ্ধে থিয় দিয়া ৰাষ্ট্ৰসমূহক সৰল কৰি তোলাৰ বিপদ মুৰ পাতি লব নোৱাৰে বুলি উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে মন্তব্য কৰিছে।

৩। কেন্দ্ৰীয় চৰকাৰে অসমৰ বাবেপ্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীণৰ অধীনত  পুনৰ ৩ লাখ ৭৬ হাজাৰ বাসগৃহত অনুমোদন জনাইছে।

৪। কেন্দ্ৰীয় মীন, পশুপালন আৰু দুগ্ধ মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিঙে কাইলৈ ত্ৰিপুৰাৰ কৈলাশহাৰত এখন সংহত একুৱাপাৰ্কৰ আধাৰশিলা স্থাপন কৰিব। ***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কিছুসময়ৰ পাছত হ'বলগীয়া লীগ পৰ্যায়ৰ এখন খেলত ৰয়েল ছেলেঞ্জাৰ্চ বেংগালুৰু, কলকাতা নাইট ৰাইডাৰ্ছৰ সন্মুখীন হ'ব।

০০০০০০

অপাৰেচন সিন্দূৰৰ জৰিয়তে স্পষ্ট হৈ উঠা পাকিস্তানৰ পৃষ্ঠপোষকতাপ্ৰাপ্ত সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ স্থিতি উপস্থাপনৰ বাবে বিভিন্ন দেশলৈ চৰকাৰে ৭ টা বহুদলীয় প্ৰতিনিধি দল প্ৰেৰণ কৰিব। এই প্ৰতিনিধি দলসমূহে এই মাহৰ শেষ ভাগলৈ ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ সদস্য ৰাষ্ট্ৰসহ ঘাই ঘাই সহযোগী দেশ ভ্ৰমণ কৰিব। এই দলসমূহত বিভিন্ন ৰাজনৈতিক দলৰ সাংসদ, আগশাৰীৰ ৰাজনীতিক ব্যক্তি আৰু বিশিষ্ট কূটনীতিবিদক অন্তৰ্ভুক্ত কৰা হ'ব। এই ভ্ৰমণত সাংসদসকলে ভাৰতৰ ৰাষ্ট্ৰীয় একতা আৰু সকলো ধৰণৰ সন্ত্ৰাসবাদ মষিমূৰ কৰাৰ ক্ষেত্ৰত ভাৰতৰ স্থিতিৰ বিষয়ে সংশ্লিষ্ট ৰাষ্ট্ৰসমূহক জনাব। তেওঁলোকে সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ শূন্য সহনশীলতাক বিশ্বৰ সন্মুখত তুলি ধৰিব। প্ৰতিনিধি দলকেইটাক কংগ্ৰেছৰ শশী থাৰুৰ, বিজেপিৰ ৰবিশংকৰ প্ৰসাদ, বৈজয়ন্ত পাণ্ডা, জে ডি ইউৰ সঞ্জয় কুমাৰ ঝা, ডি এম কেৰ কানিমোঝি কৰুণানিধি, এন চি পিৰ সুপ্ৰিয়া সুলে আৰু শিৱসেনাৰ শ্ৰীকান্ত একনাথ ছিন্দেই নেতৃত্ব দিব।

ইপিনে, সংবাদমাধ্যমৰ সৈতে হোৱা কথা বতৰাত বিজেপিৰ সাংসদ ৰবিশংকৰ প্ৰসাদে কয়, যে এই উদ্যমে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভৱিষ্যদৰ্শী চিন্তাধাৰাক প্ৰতিফলিত কৰে। তেওঁ কয় যে ভাৰতৰ সমূহীয়া সংকল্পই বিশ্বক সন্ত্ৰাসবাদৰ বিৰুদ্ধে মাৰবান্ধি থিয় দিয়াৰ গুৰুত্বৰ বিষয়ে অৱগত কৰিব।

বিজেপিৰ সাংসদ বৈজয়ন্ত পাণ্ডাই কয়, যে সিন্দুৰ অভিযানৰ মাধ্যমেৰে পাকিস্তানৰ সেনা বাহিনীক বাৰুকৈ এশিকনি দিয়া হৈছে আৰু ভাৰতৰ বিৰুদ্ধে চলোৱা সন্ত্ৰাসবাদী আক্ৰমণৰ বাবে দেশখনে পৰিনাম ভূগিবলগীয়া হৈছে।

এন চি পিৰ সাংসদ সুপ্ৰিয়া সুলেই দায়িত্ব স্বীকাৰ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজু আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ শলাগ লয়। এন চি পিৰ সাংসদগৰাকীয়ে সামাজিক মাধ্যমযোগে কয়, যে ভাৰত সন্ত্ৰাসবাদ বিৰোধী যুঁজত শক্তিশালী আৰু দৃঢ় স্থিতিত অটল হৈ আছে।

০০০০০০

ভাৰতে দেশৰ হিতৰ পৰিপন্থী আৰু সংকটৰ সময়ত ইয়াৰ বিৰুদ্ধে থিয় দিয়া ৰাষ্ট্ৰসমূহক সৰল কৰি তোলাৰ বিপদ মুৰ পাতি লব নোৱাৰে বুলি উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে মন্তব্য কৰিছে। নতুন দিল্লীত আজি জয়পুৰীয়া ব্যৱস্থাপনা প্ৰতিষ্ঠানৰ  বাৰ্ষিক সমাৱৰ্তন সমাৰোহত ভাষণ দি শ্ৰীধনখড়ে এইদৰে মন্তব্য কৰে। তেওঁ কয় যে প্ৰতিগৰাকী ব্যক্তিৰ ৰাষ্ট্ৰৰ সুৰক্ষাৰ প্ৰতি সুৰক্ষা আগবঢ়োৱাৰ অধিকাৰ আছে। তেওঁ কয যে বিশেষকৈ ব্যৱসায়, বাণিজ্য আৰু উদ্যোগজগতে সুৰক্ষা সম্পৰ্কীয় বিষয়সমূহৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভমিকা পালন কৰিব পাৰে। শ্ৰীধনখড়ে লগতে সিন্দুৰ অভিযানৰ সাফল্যৰ বাবে সশস্ত্ৰ বাহিনী আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক অভিনন্দন জ্ঞাপন কৰে। পেহেলগামৰ বৰ্বৰ সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত দেশৰ শান্তি আৰু সম্প্ৰীতিৰ প্ৰমূল্যৰাজিক প্ৰতিফলিত কৰি গ্ৰহণ কৰা এই অভিযান সচাকৈ অভূতপূৰ্ব প্ৰত্যুত্তৰ আছিল। সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ প্ৰয়াসত নতুন মানৰ প্ৰতিফলন দেখিবলৈ পোৱা গৈছে বুলি শ্ৰীধনখড়ে কয় যে যুদ্ধ আৰু সন্ত্ৰাসবাদ বিৰোধী যুজত নতুন মান স্থিৰ কৰা হৈছে। এই অভিযানে ২০০১ চনৰ ১১ চেপ্তেম্বৰত আমেৰিকাত চলোৱা আক্ৰমণৰ ষড়যন্ত্ৰকাৰীসকলৰ বিৰুদ্ধে চলোৱা অভিযানৰ কথা সোঁৱৰাই দিয়ে বুলি উপৰাষ্ট্ৰপতিগৰাকীয়ে মন্তব্য কৰে। তেওঁ কয় যে আমেৰিকা যিদৰে এই ভাবুকিৰ সন্মুখীন হৈছিল ভাৰতেও সেইদৰে সন্ত্ৰাসবাদ নিঃশেষ কৰাৰ কামত আগবাঢ়িছে।

০০০০০০

কেন্দ্ৰীয় চৰকাৰে অসমৰ বাবে প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীণৰ অধীনত পুনৰ ৩ লাখ ৭৬ হাজাৰ বাসগৃহৰ অনুমোদন জনাইছে বুলি কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে প্ৰকাশ কৰিছে। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আজি প্ৰধানমন্ত্ৰী আবাস যোজনা, গ্ৰামীণৰ অধীনত ৫৫ হাজাৰ হিতাধিকাৰীৰ গৃহ প্ৰৱেশ অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশ লৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এই কথা জানিবলৈ দিয়ে। অসমৰ কৃষিভূমি পৰীক্ষাৰ বাবে কেন্দ্ৰীয় চৰকাৰে কৃষি বিজ্ঞানীৰ ৫৬ টা দল গঠন কৰিব বুলি তেওঁ প্ৰকাশ কৰে। শ্ৰী চৌহানে কয়, যে ৰাজ্য চৰকাৰৰ বিষয়াসকলৰ সৈতে বিজ্ঞানীসকলে আলোচনা কৰিব আৰু কি মাটিত কি খেতি কৰিলে ভাল হ'ব সেই সন্দৰ্ভত কৃষকক অৱগত কৰিব। সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ অব্যাহত থাকিব বুলিও তেওঁ লগতে মন্তব্য কৰে। এই অনুষ্ঠানতে মন্ত্ৰীগৰাকীয়ে **লখিমী মিস্ত্ৰী** আঁচনিৰ লগতে ২১ টা জ্ঞান কেন্দ্ৰ শুভাৰম্ভ কৰে। এই অনুষ্ঠানতে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান আৰু কৃষি বিভাগৰ কেইবাটাও কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠানত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি ৰাজ্য চৰকাৰে ৰূপায়ণ কৰা আঁচনিসমূহৰ বিষয়ে উল্লেখ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে অহা অক্টোবৰৰ পৰা বছা বছা কেইখনমান জিলাৰ হিতাধিকাৰীৰ মাজত ৰাজ সাহায্যযুক্ত মচুৰ দাইল, চেনী আৰু নিমখ বিতৰণ কৰা হ'ব। সেই অনুসৰি হিতাধিকাৰীসকলে প্ৰতিকেজি মচুৰ দাইল ৬৯ টকা, চেনি ৩৮ টকা আৰু নিমখ ১০ টকা দৰত লাভ কৰিব। অনুষ্ঠানত কৃষি মন্ত্ৰী অতুল বৰা আৰু পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস উপস্থিত থাকে।

০০০০০০

কেন্দ্ৰীয় মীন, পশুপালন আৰু দুগ্ধ মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিঙে কাইলৈ ত্ৰিপুৰাৰ কৈলাশহাৰত সংহত একুৱাপাৰ্কৰ আধাৰশিলা স্থাপন কৰিব। ইয়াৰোপৰি মন্ত্ৰীগৰাকীয়ে আগৰতলাত এদিনীয়া মৎস্য মহোৎসৱ উদ্বোধন কৰিব। প্ৰধানমন্ত্ৰীৰ মৎস্য সম্পদা যোজনাৰ অধীনত ৪২ কোটি ৪০ লাখ টকাৰ বিনিয়োগেৰে এই সংহত একুৱাপাৰ্ক সমূহ স্থাপন কৰা হৈছে। এই একুৱাপাৰ্কসমূহক সংহত হাব হিচাপে ধাৰণা কৰা হৈছে যিয়ে হেচাৰী আৰু খাদ্য মিলৰ পৰা আৰম্ভ কৰি শীতল সংৰক্ষণ প্ৰক্ৰিয়াকৰণ, প্ৰশিক্ষণ আৰু বিপননলৈকে সেৱা আগবঢ়ায়। এই অনুষ্ঠানতে ৰাজ্যিক মীন, পশুপালন আৰু দুগ্ধ মন্ত্ৰী জৰ্জ কুৰিয়ানেও অংশগ্ৰহণ কৰিব।

এই সন্দৰ্ভত মীন, পশুপালন আৰু দুগ্ধ মন্ত্ৰালয়ে এক বিবৃতিযোগে জনাইছে যে এই উপলক্ষে মীন খণ্ডৰ বিভিন্ন হিতাধিকাৰীক প্ৰমাণপত্ৰ আৰু অনুমোদন আদেশ বিতৰণ কৰা হ'ব, য'ত যোগ্য মীনপালকক কিষাণ ক্ৰেডিট কাৰ্ড প্ৰদান কৰা হ'ব। মন্ত্ৰালয়ে লগতে কয় যে শ্ৰেষ্ঠ প্ৰদৰ্শন কৰা সমবায়, মীন পালক উৎপাদক সংস্থা আৰু মীন ষ্টাৰ্টআপে এই খণ্ডলৈ আগবঢ়োৱা অৱদানৰ বাবে স্বীকৃতি দিয়া হ'ব। ইয়াৰ উপৰিও প্ৰধানমন্ত্ৰীৰ মৎস্য সম্পদা যোজনাৰ অধীনত সমৰ্থিত হিতাধিকাৰীসকলে প্ৰমাণপত্ৰ প্ৰদান কৰা হ'ব।

০০০০০০

শক্তি মন্ত্ৰী মনোহৰ লাল পৰহিলৈ হ'বলগীয়া ব্ৰিকছ ৰাষ্ট্ৰগোষ্ঠীৰ শক্তিমন্ত্ৰীসকলৰ বৈঠকত অংশগ্ৰহণৰ বাবে ব্ৰাজিললৈ গৈছে। এই বৈঠকৰ সময়ত মন্ত্ৰীগৰাকীয়ে শক্তি সুৰক্ষা, সহজলভ্যতা, ব্যয়সাধ্যতা, বহনক্ষমতাৰ দৰে গুৰুত্বপূৰ্ণ বিষয়সমূহৰ ওপৰত ব্ৰীক্সৰ শক্তিমন্ত্ৰীসকলৰ সৈতে বৈঠকত মিলিত হ'ব। শক্তি মন্ত্ৰালয়ে এক বিবৃতিযোগে কয় যে ভাৰতে বিগত দশকত শক্তিৰ ক্ষমতা ৯০ শতাংশ বৃদ্ধি, নৱীকৰণযোগ্য শক্তি, সেউজ হাইড্ৰজেন আৰু জৈৱ ইন্ধনৰ ক্ষেত্ৰত নেতৃত্ব দিয়াৰ লগতে শক্তিখণ্ডত উদ্ভাৱন আৰু বহনক্ষম উন্নয়নকে ধৰি বিগত দশকত লাভ কৰা সাফল্যসমূহ প্ৰদৰ্শন কৰিব। ইয়াৰ লগতে কোৱা হৈছে যে, শক্তিৰ ন্যৰ্য্য প্ৰবেশ নিশ্চিত কৰাৰ লগতে শক্তিৰ পৰিৱৰ্তন ত্বৰান্বিত কৰাৰ ক্ষেত্ৰতো দেশখনে নিজৰ প্ৰতিশ্ৰুতি পুনৰ দৃঢ় কৰিব। এই বছৰৰ ব্ৰীক্স শক্তিমন্ত্ৰীসকলৰ বৈঠকৰ মূল বিষয়বস্তু হৈছে - সৰ্বাত্মক আৰু বহনক্ষম গোলকীয় প্ৰশাসনৰ বাবে গ্লোবেল চাউথ সহযোগিতাৰ সৱলিকৰণ।

০০০০০০

এসপ্তাহৰ বিৰতিৰ পাছত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ খেলসমূহ আজিৰে পৰা পুনৰ অনুষ্ঠিত হ'ব। চেন্নাইৰ এম চিন্নস্বামী ষ্টেডিয়ামত কিছুসময়ৰ পাছত হ'বলগীয়া লীগ পৰ্যায়ৰ এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু, কলকাতা নাইট ৰাইডাৰ্ছৰ সন্মুখীন হ'ব।

ইয়াৰ পূৰ্বে ভাৰত আৰু পাকিস্তানৰ মাজৰ সংঘৰ্ষৰ বাবে যোৱা ৯ মে'ত আই পি এলৰ বাকী থকা খেলসমূহ সাময়িকভাৱে স্থগিত ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। বি চি চি আয়ে তেতিয়াই এটা নতুন নিৰ্দেশনাৰ জৰিয়তে ম'হালি আৰু ধৰমশালাত এই প্ৰতিযোগিতাৰ পৰৱৰ্তী কোনো খেল অনুষ্ঠিত নহয় বুলি প্ৰকাশ কৰিছিল। যোৱা ৮ মে'ত খেল চলি থকা অৱস্থাত স্থগিত হোৱা পঞ্জাৱ কিংছ আৰু ডেলহি কেপিটেলছৰ মাজৰ খেলখন ২৪ মে'ত জয়পুৰত অনুষ্ঠিত হ'ব। আনহাতে ২৫ মে'ত হ'বলগীয়া ফাইনেল খেলখন ৩ জুনত অনুষ্ঠিত হ'ব। ফাইনেল খেলৰ স্থান পৰৱৰ্তী সময়ত ঘোষণা কৰা হ'ব।

০০০০০০

সমাপ্ত